# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-04-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
# HEADLINES

১। লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে আজি মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন।

২। লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

৩। গ্ৰীষ্মকালত গৰমৰ প্ৰকোপৰ পৰা হ'ব পৰা ৰোগৰ ব্যৱস্থাপনাৰ প্ৰস্তুতিৰ পৰ্যালোচনা চলোৱাৰ উদ্দেশ্যে কালি এখন বৈঠক অনুষ্ঠিত হয়।

৪। নতুন সৈনিক স্কুলসমূহ ৰাজনৈতিক অথবা আদৰ্শগত যোগসূত্ৰৰ ভিত্তিত প্ৰতিষ্ঠানসমূহক আৱণ্টন কৰা বুলি একাংশ সংবাদ মাধ্যমত ওলোৱা বাতৰি প্ৰতিৰক্ষা মন্ত্ৰালয়ে অগ্ৰাহ্য কৰিছে।

*আৰু*

৫। কলকাতা নাইট ৰাইডাৰ্ছে যোৱানিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত দেলহি কেপিটেলছক ১০৬ ৰানত পৰাস্ত কৰে।

ooooo

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে আজি মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। এই পৰ্যায়ত আউটাৰ মণিপুৰৰ কিছু অংশৰ লগতে ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৮৮টা সংসদীয় সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। আউটাৰ মণিপুৰ সমষ্টিৰ কিছু অংশৰ বাবে প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। দ্বিতীয় পৰ্যায়ত সামৰিব ল'বলগীয়া সমষ্টি কেইটাৰ ভিতৰত কেৰালাৰ ২০টা, কৰ্ণাটকৰ ১৪টা, ৰাজস্থানৰ ১৩টা, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ ৮টাকৈ, মধ্যপ্ৰদেশৰ ৭টা, অসম আৰু বিহাৰৰ ৫টাকৈ, পশ্চিমবংগ আৰু ছত্তিশগড়ৰ ৩টাকৈ আৰু মণিপুৰ, ত্ৰিপুৰা তথা জম্মু-কাশ্মীৰৰ এটাকৈ সমষ্টি আছে। এই পৰ্যায়ৰ বাবে ২৬ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত সাঙুৰি লোৱা জম্মু-কাশ্মীৰৰ সমষ্টিটোৰ বাহিৰে বাকী সমষ্টি কেইটাৰ বাবে ৫ এপ্ৰিলত মনোনয়ন পত্ৰ পৰীক্ষা কৰা হ'ব। জম্মু-কাশ্মীৰত ৬ এপ্ৰিলত মনোনয়ন পৰীক্ষা কৰা হ'ব।

ooooo

লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। গুৰুত্বপূৰ্ণ ৰাজনৈতিক দলৰ শীৰ্ষ নেতাসকলে কালি দেশৰ বিভিন্ন প্ৰান্তত নিৰ্বাচনী সভা আৰু ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কালি নমো এপ'ৰ মাধ্যমেৰে উত্তৰ প্ৰদেশৰ বিজেপি কৰ্মীসকলৰ এটা ডিজিটেল ৰেলীক সম্বোধন কৰে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উত্তৰ প্ৰদেশৰ মুজ্জাফৰ নগৰত বিজেপি প্ৰাৰ্থী সঞ্জীৱ

বালিয়ানৰ সমৰ্থনত এখন নিৰ্বাচনী সভাত ভাগ লয়। আনহাতে কংগ্ৰেছ দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি উত্তৰ-পূব দিল্লী সংসদীয় সমষ্টিৰ পৰা ঘৰে ঘৰে নিশ্চয়তা অভিযান আৰম্ভ কৰে।

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি জামুইৰ পৰা বিহাৰত এন ডি মিত্ৰ জোঁটৰ নিৰ্বাচনী প্ৰচাৰ অভিযান আনুষ্ঠানিকভাৱে আৰম্ভ কৰিব। শ্ৰীমোদীয়ে জামুই জিলাৰ খাইৰা উন্নয়ন খণ্ডৰ বল্ল'পুৰত এখন নিৰ্বাচনী সভাত ভাগ ল'ব।

00000

গ্ৰীষ্মকালত গৰমৰ প্ৰকোপৰ পৰা হ'ব পৰা ৰোগৰ ব্যৱস্থাপনাৰ প্ৰস্তুতিৰ পৰ্যালোচনা চলোৱাৰ উদ্দেশ্যে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী ড° মনসুখ মন্দাভিয়াৰ অধ্যক্ষতাত কালি এখন বৈঠক অনুষ্ঠিত হয়। তৃণমূল পৰ্যায়ত সঠিক তথ্যৰ অভাৱৰ কথা উল্লেখ কৰি ড° মন্দাভিয়াই ৰাজ্যসমূহৰ পৰা লাভ কৰা তথ্যৰে এটা কেন্দ্ৰীয় তথ্য ভাণ্ডাৰ গঢ়ি তোলাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। ৰাজ্যসমূহে ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ আগলি বতৰা লাভ কৰাৰ লগে লগে ব্যৱস্থা গ্ৰহণৰ ওপৰতো তেওঁ গুৰুত্ব প্ৰদান কৰে। ড° মন্দাভিয়াই কয় যে, সতৰ্কতামূলক ব্যৱস্থা সম্পৰ্কে জনসাধাৰণৰ মাজত সময়মতে আৰু ব্যাপক সজাগতা সৃষ্টি কৰিব পাৰিলে গ্ৰীষ্মপ্ৰবাহৰ প্ৰভাৱ কম কৰাত সহায়ক হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে গৰমৰ পৰা হোৱা ৰোগৰ সু-ব্যৱস্থাপনাৰ ক্ষেত্ৰত উন্নত সমন্বয়ৰ বাবে ৰাজ্যসমূহৰ সৈতে বৈঠকত মিলিত হ'বলৈ জ্যেষ্ঠ বিষয়াসকলক পৰামৰ্শ আগবঢ়ায়। পাছত নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত ড° মনসুখ মন্দাভিয়াই কয় যে, গ্ৰীষ্ম প্ৰৱাহ আৰু ষ্ট্ৰোকৰ পৰা ৰক্ষা পৰাৰ বাবে কৃষক, নিৰ্মাণকাৰ্যত নিয়োজিত শ্ৰমিক আৰু নিৰ্বাচনী কাম-কাজত নিয়োজিত তথা প্ৰচাৰ অভিযানত জড়িত ব্যক্তিসকলক পৰ্যাপ্ত পৰিমাণে পানী গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়োৱা হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে তেওঁলোকে দেহত পানীৰ মাত্ৰা বৰ্তাই ৰখাৰ বাবে ফলৰ ৰস, নেমুৰ ৰস আৰু বতৰৰ ফলো গ্ৰহণ কৰিব পাৰে। তেওঁ লগতে কয় যে, ৰাজ্যসমূহক এলানি পৰামৰ্শযোগে আয়ুষ্মান আৰোগ্য মন্দিৰসমূহত গৰমৰ পৰা হ'ব পৰা ৰোগৰ চিকিৎসাৰ বাবে সঠিক ব্যৱস্থা কৰিবলৈ কোৱা হৈছে।

00000

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী ৫ দিনত দেশৰ পূব আৰু উপদ্বীপ অঞ্চলসমূহত গ্ৰীষ্ম প্ৰবাহৰ প্ৰকোপ অব্যাহত থাকিব পাৰে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত কৰ্ণাটকৰ উত্তৰ অংশৰ দুৰ্গম এলেকা, পশ্চিমবংগৰ গংগা নৈৰ কাষৰীয়া অঞ্চল, ঝাৰখণ্ড, ওড়িশা, তেলেংগানা আৰু অন্ধ্ৰপ্ৰদেশৰ উপকূলীয় অঞ্চলসমূহত গ্ৰীষ্ম প্ৰবাহ থকাৰ আশংকা আছে। বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী ৩ দিনত পূব ভাৰতৰ ভালেমান ঠাইত সৰ্বোচ্চ তাপমাত্ৰা ২ৰ পৰা ৩ ডিগ্ৰী ছেলচিয়াচ বৃদ্ধি পাব পাৰে বুলি পূৰ্বানুমান প্ৰকাশ কৰিছে।

বিভাগটোৱে লগতে উত্তৰ-পূৰ্বাঞ্চলত দেওবাৰলৈকে ধুমুহা, বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আনহাতে, অৰুণাচল প্ৰদেশত ধাৰাসাৰ বৰষুণ আৰু তুষাৰপাত হ'ব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে আগলি বতৰা দিছে।

00000

নতুন সৈনিক স্কুলসমূহ ৰাজনৈতিক অথবা আদৰ্শগত যোগসূত্ৰৰ ভিত্তিত প্ৰতিষ্ঠানসমূহক আৱণ্টন কৰা বুলি একাংশ সংবাদ মাধ্যমত ওলোৱা বাতৰি প্ৰতিৰক্ষা মন্ত্ৰালয়ে অগ্ৰাহ্য কৰিছে। মন্ত্ৰালয়ে কৈছে যে, এনে ধৰণৰ বাতৰি

ভিত্তিহীন। সৈনিক স্কুলসমূহ ১৯৬০ চনত সৈনিক স্কুল সমাজৰ অধীনত স্থাপন কৰা হৈছিল বুলি মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰ্যালয়ে কৈছে যে, বৰ্তমানৰ ৩৩ খন সৈনিক বিদ্যালয়ৰ সাফল্যৰ পৰিপ্ৰেক্ষিতত দেশত অতিৰিক্ত সৈনিক স্কুলৰ দাবী উত্থাপন হৈ আহিছে। সমগ্ৰ দেশৰ যুৱ প্ৰজন্মক সৈনিক স্কুলৰ আৰ্হিৰ শিক্ষাৰ সুবিধা প্ৰদানৰ লক্ষ্যৰে চৰকাৰে ১০০ খন বিদ্যালয় স্থাপনৰ আঁচনি আৰম্ভ কৰিছে বুলি মন্ত্ৰ্যালয়ে উল্লেখ কৰিছে। নতুন সৈনিক স্কুল স্থাপনৰ এই আঁচনি সুচিন্তিত বুলি উল্লেখ কৰি মন্ত্ৰ্যালয়ে কৈছে যে, উদ্দেশ্য পালন সুনিশ্চিত কৰাৰ বাবে পৰীক্ষণ আৰু সন্তুলনৰ ব্যৱস্থা কৰা হৈছে। এই ক্ষেত্ৰত জটিল বাছনি প্ৰক্ৰিয়া আৰু যোগ্য ছাত্ৰ-ছাত্ৰীসকলক বিত্তীয় সাহায্য প্ৰদানৰ বাবে শক্তিশালী উদগনিমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে  বুলিও মন্ত্ৰ্যালয়ে উল্লেখ কৰিছে। মন্ত্ৰ্যালয়ে কৈছে যে, আৱেদনকাৰী প্ৰতিষ্ঠানসমূহৰ ৰাজনৈতিক অথবা আদৰ্শগত সম্পৰ্কই বাছনি প্ৰক্ৰিয়াত প্ৰভাৱ পেলাব নোৱাৰে।

০০০০০

টাইৱানৰ বিদায়ী ৰাষ্ট্ৰপতি ছাই ইং-ৱেনে দ্বীপৰাষ্ট্ৰখনক ৰিখটাৰ স্কেলত ৭ দশমিক ৪ প্ৰাবল্যৰ ভূমিকম্পই জোঁকাৰি যোৱাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে জনোৱা সঁহাৰিৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত ৰাষ্ট্ৰপতিগৰাকীয়ে বিপদৰ পাছত পুনৰ মূৰ দাঙি উঠিবলৈ চলোৱা প্ৰচেষ্টাৰ সময়ত প্ৰধানমন্ত্ৰী শ্ৰীমোডীৰ সঁহাৰিয়ে দেশখনৰ জনসাধাৰণৰ বাবে শক্তিৰ উৎস হিচাপে কাম কৰিব বুলি উল্লেখ কৰে। এই সঁহাৰিৰ বাবে দেশখনৰ নৱ-নিৰ্বাচিত ৰাষ্ট্ৰপতি লাই-চিং টেয়েও শ্ৰীমোডীক ধন্যবাদ জ্ঞাপন কৰে।

ইয়াৰ আগেয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি টাইৱানত ভূমিকম্পৰ ফলত ভালেকেইগৰাকী লোকে প্ৰাণ হেৰুওৱাক লৈ শোক প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে টাইৱানৰ জনসাধাৰণে এই বিপদৰ পৰা হোৱা ক্ষতিসমূহ পূৰ কৰি পুনৰ মূৰ দাঙি উঠা পৰ্যন্ত সৈতে ভাৰত দেশখনৰ সৈতে আছে। প্ৰধানমন্ত্ৰীয়ে লগতে ভূমিকম্পত আহত লোকসকলৰ আশু আৰোগ্য কামনা কৰে।

টাইৱানৰ পূব উপকূলত কালি পুৱা প্ৰচণ্ড ভূমিকম্পত কমেও ৯ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৯০০ৰো অধিক লোক আহত হোৱাৰ ফলত অঞ্চলটোত চুনামীৰ সতৰ্কবাণী জাৰি কৰা হৈছে। টাইপেইৰ ভূকম্পবিজ্ঞান কেন্দ্ৰৰ সঞ্চালক ৱু চিয়েন ফুৱে কৈছে, যে এই ভূমিকম্পৰ জোকাৰণি সমগ্ৰ টাইৱানৰ লগতে কাষৰীয়া দ্বীপসমূহতো অনুভূত হয় আৰু ই যোৱা ২৫ বছৰৰ ভিতৰত অঞ্চলটোত আটাইতকৈ বেছি প্ৰাবল্যৰ ভূমিকম্প।

০০০০০

কলকাতা নাইট ৰাইডাৰ্ছে যোৱানিশা বিশাখাপট্টনমত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত দেলহি কেপিটেলছক ১০৬ ৰানত পৰাস্ত কৰে। খেলখনত কলকাতা নাইট ৰাইডাৰ্ছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২৭২ ৰান কৰে। কলকাতাৰ হৈ সুনীল নাৰায়ণে ৩৯টা বলত ৮৫ ৰান আৰু অংকৃষ ৰঘুবংশীয়ে ২৭টা বলত ৫৪ ৰান কৰে। প্ৰত্যুত্তৰত দেলহি কেপিটেলছে ২৭৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৬৬ ৰানহে কৰিবলৈ

সমৰ্থ হয়। দিল্লীৰ হৈ অধিনায়ক ঋষভ পণ্টে ২৫টা বলত ৫৫ ৰান আৰু ত্ৰিষ্টন স্তব্‌সে ৩২টা বলত ৫৪ ৰানৰ বৰঙণি আগবঢ়ায়।

প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

ক্ৰ'ৱেছিয়াত আজিৰ পৰা চলিত বৰ্ষৰ ডব্লিউ টি টি ফিডাৰ ভাৰাজ্ডিন টেবুল টেনিছ প্ৰতিযোগিতা আৰম্ভ হ'ব। প্ৰতিযোগিতাত ভাৰতৰ ছাথিয়ান জ্ঞানচেকৰণ আৰু মণিকা বাত্ৰাকে ধৰি ভালেকেইগৰাকী আগশাৰীৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিব।

ছাথিয়ানৰ সৈতে পুৰুষৰ ছিংগলছত পায়ছ জৈন, হৰমিত দেশাই আৰু স্নেহিত সূৰভাজ্জুলাই প্ৰতিদ্বন্দ্বিতা কৰিব। ইপিনে মহিলাৰ ছিংগলছত ৰীথ টেনিছন আৰু য়ছশ্বিনী ঘোৰপাড়ে ভাগ ল'ব।

প্ৰতিযোগিতাৰ মিক্সড ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ছাথিয়ান জ্ঞানচেকৰণ আৰু মণিকা বাত্ৰাৰ যুটিটো অৱতীৰ্ণ হোৱাৰ বিপৰীতে পুৰুষৰ ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত পায়ছ জৈন আৰু হৰমিত দেশাইৰ যুটিটোৱে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

ooooo

**সমাপ্ত**